# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২৭ আগষ্ট তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ বিশিষ্ট মৰ্যদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ পৱিত্ৰ জীৱন চৰিত্ৰৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে জুমাৰ খোতবাবোৰত আগৰে পৰাই হজৰত উমৰ (ৰাঃ)ৰ জীৱনত ঘটি যোৱা ঘটনাৱলী সম্পৰ্কে বৰ্ণনা কৰা হৈ আছে। এখেত (ৰাঃ)ৰ খিলাফৎ কালত সংগঠিত হোৱা এখন যুদ্ধৰ নাম হ'ল ৰাইৰ যুদ্ধ। ৰাই নামৰ ঠাইখন নিশাপুৰৰ পৰা ৪৮০ কিঃমিঃ দূৰত অৱস্থিত। ৰাইৰ বাসিন্দা সকলক ৰাজী বুলি কোৱা হয়। বিখ্যাত তফছিৰ কাৰক হজৰত ইমাম ফখৰ উদ্দিন ৰাজী এই ৰাইৰ বাসিন্দা আছিল। ছিয়াহ বখশ বিন মহৰাণ বিন বেহৰাম এই ৰাইৰ হাকিম আছিল। তেওঁ দুম্বাবন্ধ তিব্রিস্থান,কমিছ আৰু জৰ্জান সকলক নিজৰ সহায়ৰ বাবে সাজু কৰি তুলিছিল। মুছলমান সকলে ৰাইলৈ যোৱাৰ পথত ইৰাণী চৰদাৰ আবু জাফৰ খান জেইনবিৰে মুছলমান সকলক সহায় আগবঢ়াবলৈ বাটতে আহি লগ ধৰে আৰু নঈম বিন মুকাৰিণক পৰামৰ্শ দিয়ে যে আপুনি মোৰ লগত কিছুমান লোকক পঠাই দিয়ক, মই তেওঁলোকক লৈ গোপন বাটেৰে চহৰৰ ভিতৰত প্ৰৱেশ কৰিম। এনেদৰে মুছলমান সকলে জেইনবিৰ সহায়ত মুছলমান সকলে সংগোপন চহৰৰ ভিতৰত প্ৰৱেশ কৰিছিল আৰু চহৰখন নিজৰ দখলত আনিছিল। পিছত চহৰৰ বাসিন্দা সকলক লিখিত ভাৱে নিৰাত্তাৰ প্ৰতিশ্ৰুতি দিছিল।

চন ২২ হিজৰীত মুছলমান সকলে কুমিছ আৰু জৰ্জান জয় কৰিছিল। এই ২২ হিজৰীততেই মুছলমান সকলে আজৰবাইজানও জয় কৰিছিল। আজৰবাইজানৰ যুদ্ধত হজৰত উমৰ (ৰাঃ)য়ে যুদ্ধ পতাকা খন উতবা বিন ফৰকদ আৰু বুকেৰ বিন আব্দুল্লাহৰ হাতত সমৰ্পন কৰিছিল। হজৰত উমৰ (ৰাঃ)ৰ নিৰ্দেশ অনুযায়ী এওঁলোক দুয়োজনে বিভিন্ন ফালেৰে আক্ৰমণ কৰিছিল। ৰুস্তমৰ ভাই আছফন্দ ইয়াজ বিন ফৰুখজাদ আহি বুকেৰৰ মুখামুখি হয় আৰু যুদ্ধত পৰাস্ত হৈ বুকেৰৰ হাতত বন্দী হয় তেতিয়া আছফন্দিয়াজে বুকেৰৰ লগত সন্ধি কৰিছিল। পিছত বুকেৰৰ প্ৰতিনিধি হিচাপে শত্ৰুৰ বিৰুদ্ধে মুছলমান সকলক সহায় সহযোগীতা কৰি গৈছিল।

এনেদৰে লাহে লাহে গোটেই অঞ্চল বুকেৰৰ অধীনস্ত হৈ পৰিছিল।আনফালে উতবা বিন ফৰকদেও বিজয় লাভ কৰিছিল। একেলেথাৰিয়ে বিজয় লাভ হোৱাৰ পিছত হজৰত আমিৰুল মোমিনিন উমৰ বিন খাত্তাব (ৰাঃ)ৰ নির্দেশপূর্ণ অধিনায়ক অর্থাৎ উতবা বিন ফৰকদৰ ফালৰ পৰা আজৰবাইজানৰ বাসিন্দা সকলক এখন চুক্তিপত্র লিখি দিয়া হৈছিল।

আজৰবাইজান বিজয়ৰ পিছত বুকেৰ বিন আব্দুল্লাহ আৰমেনিয়াৰ ফালে আগবাঢ়ি গৈছিল। হজৰত উমৰ (ৰাঃ)য়ে বুকেৰৰ সাহায্যৰ বাবে ছুৰাকা বিন মালিকৰ নেতৃত্বত আৰু এটা সৈন্য দল পঠাই দিছিল। এখেত (ৰাঃ)য়ে ছুৰাকা বিন মালিকক গোটেই সৈন্যদলৰ অধিনায়ক হিচাপে নিযুক্ত দিছিল। মুছলমান সকলৰ দিগ্বীজয় আৰু বলবীর্য্য চাই বাৱাজ চহৰৰ ইৰাণী অধিপতিয়ে ছুৰাকা বিন মালিকক জিজিয়াৰ সলনি ফৌজি সহায় আগবঢ়োৱাৰ চৰ্তত সন্ধি লৈছিল। হজৰত উমৰ (ৰাঃ)য়ে এই সন্ধিৰ কথা শুনি বৰ আনন্দিত হৈছিল। ইয়াৰ পিছত ছুৰাকা বিন মালিকে আৰমেনিয়াৰ চাৰিও কাষে থকা পাহাৰীয়া ঠাইবোৰলৈ সৈন্য প্ৰেৰণ কৰে আৰু তেওঁলোকেও বিজয় লাভ কৰে।

ইয়াৰ পিছত চন ২২ হিজৰীত খোৰাচানৰ যুদ্ধ সংগঠিত হয়। জালুলাৰ যুদ্ধৰ পিছত ইৰাণী বাদশাহ ইয়াজিদ জর্দে ৰাই,কিৰামান,খোৰাচান আদি অঞ্চলত থাকি তেওঁ অনাৰবীয়ান আৰু ওচৰে-পাজৰে থকা ফাৰচৰ বাসিন্দা সকলৰ লগত মিলি হৰমুজানৰ লগত এটা মিল-মিলাপ সম্পর্কে গঠন কৰে। এনেদৰে মুছলমান সকলৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি অৱশেষত মুছলমান বিজিত অঞ্চলবোৰত বিদ্রোহৰ সুত্রপাত ঘটায়। যাৰ ফলত অৱস্থা সংকট জনক হৈ উঠাৰ পৰিপেক্ষিতত হজৰত উমৰ (ৰাঃ)য়ে মুছলমান সকলক অনুমতি দিয়ে যে তেওঁলোকে যেন অনতিপলমে ইৰাণী অঞ্চল সমূহত বিদ্রোহ দমন কৰিবলৈ আগবাঢ়ি যায়। হজৰত উমৰ (ৰাঃ)ৰ আদেশ অনুযায়ী বছৰাৰ বাসিন্দা আৰু কোফাৰ অধিবাসী সকলে পৰাক্ৰমেৰে আক্ৰমণ চলাই ইৰাণৰ বাদছাহ ইয়াজিদ জর্দক এঠাইৰ পৰা আন ঠাইলৈ খেদি-খেদি লৈ গৈছিল। পৰিস্থিতি চাই ইয়াজিদ জর্দে মৰুৰজ,বলখ আদি অঞ্চলেদি পাৰ হৈ নদী পাৰ কৰি পলাবলৈ বাধ্য হৈছিল। এই বিপদজনক অৱস্থা চাই নিশাপুৰৰ পৰা লৈ তিখাৰাস্থানৰ লোক সকলে মুছলমানৰ সৈতে সন্ধি স্থাপন কৰিছিল। হজৰত উমৰ (ৰাঃ)য়ে যেতিয়া খোৰাচান বিজয় হোৱাৰ খবৰ পাইছিল তেতিয়া তেখেত (ৰাঃ)য়ে কৈছিল যে মই তো বিচাৰিছিলোঁ যে ইৰাণী সকলৰ বিৰুদ্ধে যেন কোনো ধৰণৰ যুদ্ধ-বিগ্ৰহ কৰিব নালাগে। আৰু আমাৰ আৰু তেওঁলোকৰ মাজত যেন শত্রুতাৰ দাবানল নুমাই যায়। সেয়ে হজৰত উমৰ (ৰাঃ)য়ে আহনাফ বিন কায়েছক নদী পাৰ হৈ গৈ আক্ৰমণ চলাবলৈ নিষেধ কৰিছিল। এনেদৰে ইয়াজিদ জর্দে বিভিন্ন চহৰ বন্দৰত ঘূৰি ফুৰিছিল আৰু অৱশেষত হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত কোনোবা লোক এজনৰ হাতত নিহত হৈছিল।

আহনাফ বিন কায়েছৰ পৰা প্রাপ্ত হোৱা যুদ্ধ লব্দ সামগ্রী (মালেগণিমত) সম্পর্কে হজৰত উমৰ (ৰাঃ)য়ে মুছলমান সকললৈ এক বেদনা ভৰা ভাষণ প্রদান কৰে। সেই ভাষণত আল্লাহ তা'লাৰ আদেশ অমান্য কৰাৰ ফলাফল বর্ণনা কৰি কয় যে মই এয়া ভয় নকৰো যে শত্রু সকলে মুছলমান সকলক ধ্বংস কৰি দিব বৰং মোৰ মুছলমান সকলৰ ফালৰ পৰাই উম্মতৰ ধ্বংসৰ ভয় হয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি আমি এই কথাখিনি সত্যত পৰিণত হোৱাটো দেখিবলৈ পাই আছো যে মুছলমানেই মুছলমানৰ ডিঙি কাটি আছে আৰু এখন দেশে আনখন দেশৰ ওপৰত জিহাদৰ নামলৈ আক্ৰমণ চলাই আছে।

ইস্তাখাৰ ফাৰচৰ এখন মৰকজি চহৰ আছিল আৰু ছাছানি বাদছাহৰ মূল পৱিত্র স্থান আছিল, ইয়াৰে ওচৰত

অৱস্থিত অঞ্চলত হজৰত উচমান বিন আবুল আচ (ৰাঃ)য়ে আক্রমণ চলাইছিল। তাতে এখন তুমুল ৰণ হোৱাৰ পিছত আল্লাহ তা'লাই মুছলমান সকলক বিজয় দান কৰে। হজৰত উচমান বিন আবুল আচ (ৰাঃ)য়ে মালে গণিমত জমা কৰি তাৰে পঞ্চমাংশ আমিৰুল মোমিনিন হজৰত উমৰ (ৰাঃ)ৰ ওচৰত পঠাই দিছিল। আন এটা ৰিৱায়তত উল্লেখ আছে যে ইস্তাখাৰ চহৰখন প্রথমবাৰ হজৰত আলায়ে বিন হুজৰমিয়ে ১৭ হিজৰীত জয় কৰিছিল।

হজৰত ছাৰিয়া বিন জেয়নমক হজৰত উমৰ (ৰাঃ)য়ে ২৩ হিজৰীত ফছা আৰু দাৰে আবজৰদলৈ পঠাই দিছিল। হজৰত ইবনে উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এদিন হজৰত উমৰ (ৰাঃ)য়ে ভাষণ দি থাকোতে হঠাৎ উচ্চস্বৰে কৈছিল- ইয়া ছাৰিয়াতুল জাবাল অৰ্থাৎ হে ছাৰিয়া ! পাহাৰৰ ফালে গুচি যোৱা। হজৰত মুচলেহ্ মাওউদ (ৰাঃ)য়ে এই ঘটনাৰ বৰ্ণনা কৰোঁতে কৈছে যে যিহেতু এই পংক্তিটো অৰ্থাৎ ছাৰিয়াতুল জবাল,এটা শাৰী বিছিন্ন শব্দ, গতিকে লোকে এই পংক্তি সম্পৰ্কে হজৰত উমৰ (ৰাঃ)ক প্ৰশ্ন কৰিছিল। তেতিয়া তেখেত (ৰাঃ)য়ে কৈছিল যে মই দেখিছিলো যে ইছলামী সেনানায়ক আৰু শত্ৰু সকলে তাৰ পিছানুসৰণ কৰি আছে আৰু তাৰ ওপৰত আক্ৰমণৰ উপক্ৰম হৈছে আৰু এনেকুৱা হৈছে যে ইছলামী সৈন্য যেনিবা ধ্বংস হৈ যাব। সেয়ে মই তেওঁক মাত দিছিলো যে হে ছাৰিয়া ! পাহাৰৰ ফালে গুচি যোৱা। এই ঘটনাৰ বেছি দিন পাৰ হোৱা নাছিল; ছাৰিয়া এনেধৰণৰ ঘটনা ঘটা সম্পৰ্কে খবৰ পঠিয়াই দিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এই পংক্তি ফাকি মুখেৰে উচ্চাৰণ কৰাৰ সময়ত হজৰত উমৰ (ৰাঃ)ৰ জিভাখন নিয়ন্ত্ৰণহীন হৈ পৰিছিল আৰু ক্ষমতাবান অস্তিত্বৰ অধীনস্থ হৈ পৰিছিল, গতিকে তাত দূৰত্ব বলা বস্তুটো অস্তিত্ব বিহীন হৈ পৰিছিল। এই উদাহৰণৰ পৰা হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এয়া অভিযোগ আছে যে চাহাবা ইকৰামৰ ওপৰত ইলহাম হোৱাৰ প্ৰমাণ নাই কথাখিনি অৰ্থহীন আৰু ভুল। হজৰত উমৰ (ৰাঃ)য়ে ছাৰিয়াৰ সৈন্য বাহিনীৰ বিপদাজনক অৱস্থা সম্পৰ্কে জানিব পৰাটো, ইলহাম নহৈ আৰু নো কি হ'ব পাৰে।

চন ২৩ হিজৰিত হজৰত ছুহেল বিন আদি (ৰাঃ)ৰ হাতত কিৰামান বিজয় হৈছিল। এনেদৰে চন ২৩ হিজৰিতেই ছবহাস্থান যি ঠাইখিনি খোৰাচান প্ৰদেশতকৈ ডাঙৰ অঞ্চল আছিল,সেয়া মুছলমান সকলে জয় কৰিছিল। বিখ্যাত ইৰাণী বীৰ ৰুস্তম এইখন অঞ্চলৰ বাসিন্দা আছিল। উক্ত ২৩ হিজৰিতেই মকৰান মুছলমানে দখন কৰিছিল। ইয়াতে মুছলমান সকলে ছিন্দৰ বাসিন্দা সকলৰ বিৰুদ্ধে একগোট হৈ যুদ্ধ কৰি সিহঁতক পৰাস্ত কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই মকৰান বিজয়েই আছিল বিজয়ে ফাৰুকীৰ শেষ বিজয়। চহৰৰ ইতিহাসবিদ সকলৰ মতে ফাৰুকি খিলাফৎ কালত দিবলৰ ওখ ভূমি অঞ্চলৰ পৰা আৰু থানালৈকে মুছলমান সৈন্য ঢুকি পাইছিল। যদি এয়া শুদ্ধ টোকা হয় তেন্তে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত ইছলামৰ খোজ ছিন্দ আৰু হিন্দলৈকেও আহি পাইছিল।

হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আগলৈ আৰু চলিব বুলি উল্লেখ কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে এখন ট্ৰাকচ ইণ্টাৰনেট ৰেডিঅ'ৰ শুভাৰম্ভ কৰাৰ ঘোষণা কৰে। এই ৰেডিঅ'ৰ জৰিয়তে গোটেই বিশ্বৰ ২০ খন মান দেশে লাভ আহৰণ কৰিব পাৰিব। এই ৰেডিঅ জাৰ্মানিৰ তবলিগ বিভাগে তৈয়াৰ কৰাৰ সৌভাগ্য লাভ কৰিছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱা কৰে যে আল্লাহ তা'লা জাৰ্মানিৰ তবলিগ বিভাগৰ এই আৱিষ্কাৰ মঙ্গলময় কৰি এই নতুন ইণ্টাৰনেট ৰেডিঅ সকলো ফালেৰে কল্যাণমণ্ডিত কৰক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ চমু পৰিচয় দিয়াৰ আৰু নমাজে জানাজা গায়েব পঢ়োৱাৰ ঘোষণা কৰে। তাৰ পিছত মৰহুম মহতৰম ছৈয়দ তালআ আহমদ চাহাবৰ বিষয়ে কয় যে আমাৰ

প্ৰিয় আজিজ তালআৰ জানাজা এতিয়াও আহি পোৱা নাই; যেতিয়া আহি পাব তেতিয়া তাৰ জানাজা পঢ়া হ'ব ইনশা আল্লাহ।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম মেহমুদ আহমদ চাহাবৰ (প্ৰাক্তন খাদিম মছজিদ আকছা আৰু মোবাৰক কাদিয়ান) পৰিচয় দাঙি ধৰে। এখেত ৭৪ বছৰ বয়সত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম মখদুম হোছেইন চাহাব অফ বেলগমৰ পুত্ৰ আছিল যিয়ে কৰ্ণাটকৰ পৰা হিজৰত কৰি কাদিয়ানলৈ আহিছিল। মৰহুমে ২৮ বছৰ কাল মছজিদ আকছা আৰু মছজিদ মোবাৰকৰ খাদিম হিচাপে কাৰ্য্যনিৰ্বাহ কৰি গৈছে। মৰহুম মুচি আছিল। মৰহুম নমাজ ৰোজা আৰু নিয়মিত নমাজে তাহাজ্জুদ পঢ়া আৰু বৰ দোৱা কৰোঁতা লোক আছিল। মছজিদৰ লগত এখেতৰ বিশেষ সম্পৰ্ক আছিল। পত্নীৰে সৈতে দুজন পুত্ৰ আৰু এজনী কন্যা সন্তানক এৰি ইহলীলা ত্যাগ কৰিছে।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছত্ততা চাহিবা পত্নী আব্দুৰ ৰহমান চাহাবৰ (কেৰেলা) বিষয়ে উল্লেখ কৰে। এখেতৰ ২২ জুলাই চন ২০২১ ত ৭৬ বছৰ বয়সত মৃত্যু হৈছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুমা সামছ উদ্দিন চাহাব মালাবাৰি মোবাল্লিগ ছিলছিলা (ইনচাৰ্জ কবাবিৰ)ৰ মাতৃ আছিল। সামছ উদ্দিন চাহাবে কয় যে মোৰ মাকে বি,টি মহম্মদ চাহাব মৰহুমৰ জীয়েক আছিল; যিজনে জিলা পালগাট আৰু মজাফাতৰ সৰ্বপ্ৰথম আহমদী আছিল। এখেতে ১৯৩৭ চনত বয়াত কৰি আহমদীয়ত গ্ৰহণ কৰিছিল। এই দীৰ্ঘ কালছোৱাত এখেতে শত্ৰু সকলৰ অত্যাচাৰ অন্যায় সহ্য কৰি আহিছিল। এখেতে সমাজত বয়কট হৈ থকাৰ সময়ত মোৰ নানি আৰু মোৰ এজনী মাহীৰ মৃত্যু হৈছিল। তেতিয়া মোৰ মাকৰ বয়স হৈছিল ডেৰ বছৰ। মৃত্যুৰ পিছত মোৰ নানি জানক বিৰুদ্ধবাদী সকলে দফন কৰিবলৈ নিদিয়াত তাৰ পৰা চল্লিছ কিঃমিঃ দূৰত অৱস্থিত এখন চহৰত এখন সাধাৰণ কবৰস্থানত দফন কৰা হৈছিল। লগতে আৰু কয় যে নানায় নিজৰ জীয়েক জনীক লৈ তাৰ পৰা হিজৰত কৰিছিল। এনেদৰে মোৰ মাকে সৰুৰে পৰাই বিভিন্ন ধৰণৰ দুঃখ যন্ত্ৰণা পাৰ কৰি আহিছিল। মৰহুমা নমাজ ৰোজাৰ পাবন্ধ আছিল আৰু মুচিয়া আছিল। মৰহুমা বৰ সহনশীলতা আৰু সহানুভূতিশীলা লোক আছিল। সকলো সমস্যা জৰ্জৰিত লোকৰ বাবে দোৱা কৰিছিল আৰু সন্মুখত আহিলে সহায়ও কৰিছিল। স্বামীৰ লগতে চাৰি পুত্ৰ আৰু দুজনী জীয়েকক এৰি থৈ গৈছে। তাইৰ নাতি এজন ওৱাকফে জিন্দেগীত চামিল হৈছে। আল্লাহ তা'লা মৰহুমাৰ মৰ্যদা উন্নীত কৰক।

ইয়াৰ পিছত মকৰম মহম্মদ আল মুখতাৰ কাবকা চাহাব (মৰাকচ)  মহতৰমা ছৈয়দ সুজিদ চাহিবা,পত্নী শ্বেইখ আব্দুল মজিদ চাহাব (ফয়চালাবাদ) দুয়োজনৰ চমু পৰিচয় দি হুজুৰ (আইঃ)য়ে সকলো মৰহুমিনৰ মাগফিৰাত আৰু উন্নত মৰ্যদাৰ বাবে দোৱা কৰে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844